**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-Aug-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি চতিয়া দিৱস উদযাপনৰ সময়ত স্বাধীনতা সংগ্ৰামীসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ সমান্তৰালভাৱে চতিয়াৰ বাবে এলানি উন্নয়নমূলক পদক্ষেপৰ বিষয়ে ঘোষণা কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে ঐতিহাসিক চতিয়া আৰক্ষী থানাক পৰ্যটনস্থলীৰূপে গঢ় দিয়াৰ উদ্দেশ্যে ৫ কোটি টকাৰ এটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই থানাখনতে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ সময়ত প্ৰথমবাৰৰ বাবে ত্ৰিৰংগ পতাকা উত্তোলন কৰা হৈছিল। ড০ শৰ্মাই কয়, যে ৰাজ্য চৰকাৰে চতিয়াক কেৱল ইতিহাসৰ প্ৰতীক হিচাপেই নহয়, বৰং লগতে সাংস্কৃতিক পৰ্যটন আৰু অৰ্থনৈতিক কাম-কাজৰ কেন্দ্ৰ হিচাপেও গঢ় দিয়াৰ প্ৰয়াস কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে অনুষ্ঠানত অঞ্চলটোৰ সাংস্কৃতিক প্ৰাণকেন্দ্ৰ মুকলি বিহু খেলপথাৰত এটা ভৱনৰ নিৰ্মাণৰ বাবেও ২ কোটি টকাৰ আৱণ্টন দিয়ে। ঐতিহ্যৰ সংৰক্ষণৰ সৈতে বিকাশৰ মিশ্ৰণ কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই চতিয়াৰ স্বাধীনতা সংগ্ৰামীৰ বীৰত্বক বিষয়বস্তু হিচাপে লৈ এখন চলিচ্চত্ৰ নিৰ্মাণ কৰিবলৈ বিধায়ক পদ্ম হাজৰিকাক আহ্বান জনাইছে। প্ৰয়োজন সাপেক্ষে চৰকাৰে চলচ্চিত্ৰ নিৰ্মাণৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰিব বুলিও তেওঁ ঘোষণা কৰে।

০০০০০০

ডিব্ৰুগড় জিলাৰ মাইজান ঠাকুৰবাৰীৰ লগতে কেইবাটাও অঞ্চলত ব্ৰহ্মপুত্ৰৰ খহনীয়াই বিস্তৰ ক্ষতি কৰিছে। গাঁওখনত বিগত প্ৰায় ১০ দিন ধৰি খহনীয়াই নৈপৰীয়া ৰাইজৰ জীৱন আৰু সা-সম্পত্তিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। যোৱা সপ্তাহত ব্ৰহ্মপুত্ৰৰ সোঁতে অঞ্চলটোৰ কেইবাটাও ঘৰ উটুৱাই নিয়ে। খহনীয়াৰ বাবে ঠাকুৰবাৰীৰ নৈপৰীয়া ৰাইজে সেই অঞ্চল ত্যাগ কৰি অন্য স্থানত আশ্ৰয় লৈছে। শেহতীয়াকৈ মাইজানৰ খহনীয়াত বালিচৰত থকা এখন জাহাজ বুৰ যায়। খহনীয়াই ডিব্ৰুগড়ৰ সুৰক্ষা বান্ধৰ প্ৰতিও তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। এই বান্ধ চিগি গ'লে নগৰখন বানৰ কবলত পৰাৰ আশংকাই দেখা দিছে। সমীপতে থকা মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ উপৰি অসম চিকিৎসা মহাবিদ্যালয় চৌহদ আৰু ডিব্ৰুগড় বিমান বন্দৰৰ প্ৰতিও খহনীয়াই তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। জলসম্পদ বিভাগে দিনে-নিশাই খহনীয়া প্ৰতিৰোধৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। বিভাগটোৱে জিঅ' বেগ আৰু পাৰ্কুপাইন ব্যৱস্থাৰে খহনীয়া ৰোধৰ চেষ্টা চলাইছে যদিও ব্ৰহ্মপুত্ৰৰ সোঁতে এই জিঅ'বেগসমূহ উটুৱাই নিছে। উল্লেখযোগ্য যে, বিগত কিছুদিন ধৰি অসমৰ লগতে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত নেৰা-নেপেৰা বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পাইছে। ফলত ডিব্ৰুগড় চহৰৰ উপৰি উজনি অসমৰ ভিন্ন প্ৰান্তত খহনীয়াৰ লগতে বান সমস্যাই দেখা দিছে।

০০০০০০

ডিব্ৰুগড়ৰ নন্দলাল বৰগোঁহাই চিটী মহাবিদ্যালয়ৰ কালি ৩৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। শিক্ষাবিদ নন্দলাল বৰগোঁহাইৰ প্ৰচেষ্টাত মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰিছিল। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত শিক্ষাবিদগৰাকীক শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অনুষ্ঠানত বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ কেইবাজনো শিক্ষক আৰু শিক্ষাবিদ উপস্থিত থাকে।

০০০০০০

পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাত আজি সামৰণি সন্ধিয়া নাট্যকাৰ সপোনজ্যোতি ঠাকুৰ আৰু সীমান্ত ফুকনৰ পৰিচালনাৰে ডেৰগাঁৱৰ নৰ্থ ইষ্ট থিয়েটাৰ একাডেমীয়ে **চন্দ্ৰপ্ৰভা** নাটখন মঞ্চস্থ কৰিব।

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাত কালি কৰুণা ডেকা ৰচিত আৰু গুণাকৰ দেৱ গোস্বামী পৰিচালিত নাট **অম্বিকাগিৰী** মঞ্চস্থ কৰা হয়। গুৱাহাটীৰ পূৰ্বৰংগ গোষ্ঠীয়ে পৰিবেশন কৰা এই নাটখনত স্বাধীনতা সংগ্ৰামীৰূপে অম্বিকাগিৰি ৰায়চৌধুৰীৰ বিপ্লৱী চেতনা আৰু  বীৰগাথাক সুন্দৰভাৱে মঞ্চস্থ কৰা হয়। কালিৰ নাট্যনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, নৃত্যাচাৰ্য্য যতীন গোস্বামীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

ডিব্ৰুগড় জিলাৰ দুলীয়াজান সমজিলাৰ অন্তৰ্গত ডিৰিয়াল চাহ বাগিচাত কলেৰা ৰোগত আক্ৰান্ত হৈ ২০ জনকৈ লোক টেঙাখাত আদৰ্শ চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে।  বাগিচাখনৰ গজালবস্তি অঞ্চলৰ এই ৰোগৰ প্ৰাদুৰ্ভাৱ হোৱা বুলি সমজিলা কাৰ্যালয়ে জানিবলৈ দিছে। এমাহ পূৰ্বে এই ৰোগত আক্ৰান্ত হৈ বাগিচাখনৰ গজালবস্তি অঞ্চলত অশোক মুন্না নামৰ লোকজনৰ ১৬ জুলাইত মৃত্যু হোৱাৰ লগতে ১৭ জুলাইত মনিষা কিষাণ নামৰ এগৰাকী কিশোৰীৰো মৃত্যু হোৱা বুলি তথ্য স্বাস্থ্য বিভাগে সদৰি কৰিছে।

০০০০০০

সৰ্বভাৰতীয় ফুটবল ফেডাৰেচন আৰু অসম ফুটবল সন্থাৰ উদ্যোগত তথা যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সহযোগত ২০২৫-২৬ বৰ্ষৰ ছাব জুনিয়ৰ গাৰ্লছ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠান যোৰহাট ষ্টেডিয়ামত কালি অনুষ্ঠিত হয়। ৩০ আগষ্টলৈ হ'বলগীয়া এই প্ৰতিযোগিতাত ভাৰতৰ মুঠ ১৫ খন ৰাজ্যৰ দলে অংশগ্ৰহণ কৰিছে। উদ্বোধনী অনুষ্ঠানত যোৰহাট জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ খেলসমূহ যোৰহাট ষ্টেডিয়াম আৰু মৰিয়নিৰ বাপুজী ষ্টেডিয়ামত খেলোৱা হ'ব।

০০০০০০

সমাপ্ত